# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 04-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ভাৰত আৰু লাঅ’ছৰ মাজৰ সম্পৰ্ক বুদ্ধ দৰ্শনৰ উমৈহতীয়া ঐতিহ্য আৰু ৰামায়ণত প্ৰতিফলিত হৈ আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে আজি নতুন দিল্লীত ভেনিজুৱেলাৰ কাৰ্যবাহী ৰাষ্ট্ৰপতি ডেল্‌চি ৰোড্ৰিগ্‌জক সাক্ষাৎ কৰে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা উত্তৰ-পূব পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হৈছে।

৪। বিধি বলৱৎকাৰী সঞ্চালকালয়ে আজি মিজোৰাম-ম্যানমাৰ সীমান্তৰ ৯টা স্থানত বাৰ্মিচ চুপাৰীৰ বিৰুদ্ধে ব্যাপক অভিযান চলায়।

আৰু

৫। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিম্ন সদনে ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পক ইৰানৰ বিৰুদ্ধে নতুনকৈ সামৰিক ব্যৱস্থা গ্ৰহণৰ পৰা বাৰণ কৰাৰ উদ্দেশ্যে এটা প্ৰস্তাৱ গ্ৰহণ কৰিছে।

0000000

ভাৰত আৰু লাঅ’ছৰ মাজত প্ৰাচীন কালৰেপৰা থকা ঘনিষ্ঠ সম্পৰ্ক বুদ্ধ দৰ্শনৰ উমৈহতীয়া ঐতিহ্য আৰু ৰামায়ণত প্ৰতিফলিত হৈ আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কালি কয়, যে দুয়োখন দেশে এইবছৰ উভয় দেশৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ৭০ সংখ্যক বাৰ্ষিকী উদযাপন কৰিছে। লাঅ’ছ গণতান্ত্ৰিক গণৰাজ্যৰ উপ-প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী থংছাভান ফ’মভিহানেক ৰাষ্ট্ৰপতি ভৱনত আদৰণি জনাই শ্ৰীমতী মুৰ্মুৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আছিয়ান শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ২০২৪ চনৰ অক্টোবৰত লাঅ’ছলৈ গৈছিল আৰু এই ভ্ৰমণকালত স্বাক্ষৰিত চুক্তি সমূহে উভয় দেশৰ মাজত সহযোগিতাক গতি প্ৰদান কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰত আৰু লাঅ’ছৰ মাজত দ্বিপাক্ষিক বাণিজ্য যথেষ্ট বৃদ্ধি পাইছে যদিও বিনিয়োগ আৰু বাণিজ্যৰ ক্ষেত্ৰত এতিয়াও অধিক প্ৰগতিৰ থল আছে। ভাৰত তথ্য আৰু যোগাযোগ প্ৰযুক্তি, স্বাস্থ্য, চিকিৎসা, শিক্ষা, জলসিঞ্চন, উৎপাদন, নৱীকৰণযোগ্য শক্তি আৰু বিদ্যুতকে ধৰি বিভিন্ন ক্ষেত্ৰত দেশখনৰ সৈতে সহযোগিতা সম্প্ৰসাৰণ কৰিবলৈ পালে আনন্দিত হ’ব বুলি শ্ৰী মতী মুৰ্মুৱে উল্লেখ কৰে। ৰাষ্ট্ৰপতিয়ে লগতে দুয়োখন দেশৰ মাজত উন্নয়নমূলক সহযোগিতা দিনকদিনে সুদৃঢ় হোৱাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ ঘনিষ্ঠ সহযোগিতাই দেশ দুখনৰ জনসাধাৰণক যথেষ্ট উপকৃত কৰিব বুলি মত পোষণ কৰে।

000000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে আজি পুৱা নতুন দিল্লীত ভেনিজুৱেলাৰ কাৰ্যবাহী ৰাষ্ট্ৰপতি ডেল্‌চি ৰোড্ৰিগ্‌জক সাক্ষাৎ কৰে। ডঃ জয়শংকৰে বৈঠকৰ অন্তত সামাজিক মাধ্যমযোগে কয়, যে ভাৰতে ভেনিজুৱেলাৰ সৈতে থকা দীৰ্ঘদিনীয়া সম্পৰ্কক সন্মান কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে কাৰ্যবাহী ৰাষ্ট্ৰপতিগৰাকীৰ বৈঠকে উভয় দেশৰ মাজৰ সহযোগিতা অধিক সুদৃঢ় কৰিব।

000000000

উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা উত্তৰ-পূৱ পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন

কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীৰ প্ৰতিবেদন সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হ'ব। অধিবেশনত পৰ্যটন, কৃষি আৰু উদ্যানশস্য, বিনিয়োগৰ প্ৰসাৰ, অৰ্থনৈতিক কৰিড'ৰৰ উন্নয়ন, আন্তঃগাঁথনি আৰু যোগাযোগ তথা হস্ততাঁত-হস্তশিল্প, গাখীৰ, কণী, মাছ-মাংসৰ উৎপাদনৰ স্বাৱলম্বিতা অৰ্জনক লৈ উত্তৰ-পূবৰ মুখ্যমন্ত্ৰীসকলে প্ৰতিবেদন দাখিল কৰিব। অধিৱেশনত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, মেঘালয়ৰ ৰাজ্যপাল চি এইচ বিজয়শংকৰ, মুখ্যমন্ত্ৰী কনৰাড কে চাংমা, ড'নাৰ ৰাজ্যমন্ত্ৰী সুকান্ত' মজুমদাৰ, কেন্দ্ৰীয় গৃহসচিব গোবিন মোহন আৰু ডনাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজু উপস্থিত আছে। অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, মিজোৰাম, নাগালেণ্ড আৰু ছিকিমৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলেও অধিৱেশনত অংশগ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে ১৯৭১ চনৰ উত্তৰ-পূব পৰিষদ আইনৰ অধীনত প্ৰতিষ্ঠা লাভ কৰা উত্তৰ-পূব পৰিষদে সমগ্ৰ অঞ্চলটোৰ পৰিকল্পনা গ্ৰহণৰ ক্ষেত্ৰত সৰ্বোচ্চ কৰ্তৃপক্ষ হিচাপে কাম কৰি আহিছে। এই পৰিষদে অঞ্চলটোত সমন্বিত উন্নয়ন আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদ শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। আজিৰ অনুষ্ঠানত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ড'নাৰ ৰাজ্য মন্ত্ৰী সুকান্ত মজুমদাৰ, উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

00000000

যোগে বিশ্বজুৰি ব্যাপক জনপ্ৰিয়তা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তেওঁ আজি প্ৰথম বিশ্ব যোগাসন ক্ৰীড়া প্ৰতিযোগিতা ২০২৬ত ভাৰ্চুৱেলী অংশ ল'ব। গুজৰাটৰ আহমেদাবাদত হ'বলগীয়া এই প্ৰতিযোগিতাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ যোগাভ্যাসকাৰীয়ে অংশ ল'ব। প্ৰধানমন্ত্ৰীয়ে এই প্ৰতিযোগিতাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যোগাভ্যাসক ক্ৰীড়াৰ মৰ্যাদা প্ৰদানৰ গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে। তেওঁ এই কাৰ্যসূচী আয়োজন কৰাৰ বাবে উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুজৰাট আৰু দমন ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীয়ে গুজৰাটৰ ছুৰাটত ১৮ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ পথ, শক্তি আৰু ঔদ্যোগিক খণ্ডৰ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে লগতে ছুৰাটত ২০০ খন বিছনাযুক্ত এখন ই এছ আই চি চিকিৎসালয় মুকলি কৰিব। সন্ধিয়াৰ ভাগত তেওঁ দমনলৈ যাব আৰু তাত দুহেজাৰ ৯৭০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য, অসামৰিক বিমান পৰিবহণ, পৰ্যটন, আন্তঃগাঁথনি, যোগাযোগ আৰু জনকল্যাণ খণ্ডৰ প্ৰকল্প অন্যতম। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে নমো বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱন আৰু নমো চিকিৎসালয়কৈ ধৰি প্ৰায় এহেজাৰ ৩৪০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। বিমান বন্দৰৰ এই নতুন টাৰ্মিনেলে দমনৰ আঞ্চলিক বিমান যোগাযোগ শক্তিশালী কৰাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশতো অৰিহণা যোগাব।

000000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিম্ন সদন হাউছ অব্ ৰিপ্ৰেজেনটেটিভ্ছে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ইৰানৰ বিৰুদ্ধে নতুনকৈ সামৰিক ব্যৱস্থা গ্ৰহণৰ পৰা বাৰণ কৰাৰ উদ্দেশ্যে এটা প্ৰস্তাৱ গ্ৰহণ কৰিছে। প্ৰস্তাৱটোৰ সপক্ষে ২১৫ গৰাকী সদস্যই ভোটদান কৰে আৰু ২০৮ গৰাকীয়ে ইয়াৰ বিৰোধিতা কৰে। ৰিপাব্লিক দলৰ চাৰিগৰাকী সাংসদে ডেম'ক্ৰেটিক দলৰ এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়ায়। হাউচ অব্ ৰিপ্ৰেজেণ্টেটিভ্ছে এইবাৰকে ধৰি চতুৰ্থবাৰৰ বাবে ট্ৰাম্পৰ যুদ্ধ সম্পৰ্কীয় ক্ষমতা সীমিত কৰাৰ চেষ্টা চলাইছে। প্ৰস্তাৱটো সন্দৰ্ভত হোৱা বিতৰ্কত অংশগ্ৰহণ কৰি সাংসদসকলে ইৰানৰ বিৰুদ্ধে সামৰিক ব্যৱস্থাৰ প্ৰতি দেশখনৰ সংসদ কংগ্ৰেছে অনুমোদন জনোৱা নাই বুলি দাবী কৰে। অৱশ্যে প্ৰস্তাৱটো এতিয়াও ৰিপাব্লিক দলৰ সংখ্যাগৰিষ্ঠতা থকা চিনেটত গৃহীত হোৱা নাই। প্ৰস্তাৱটো চিনেটত গৃহীত হ'লে শ্ৰী ট্ৰাম্পে ইয়াৰ বিৰুদ্ধে ভেট' ক্ষমতা প্ৰয়োগ কৰিব পাৰিব।

000000000

বিধি বলৱৎকাৰী সঞ্চালকালয়ে আজি মিজোৰাম-ম্যানমাৰ সীমান্তৰ লগতে সীমান্তৱৰ্তী চহৰ চাম্ফাইৰ ৯টা স্থানত ব্যাপক অভিযান চলায়। সঞ্চালকালয়ে প্ৰকাশ কৰা মতে সীমান্তৰ ইপাৰৰ পৰা বৃহৎ পৰিমাণত অবৈধ বাৰ্মিজ ছুপাৰী ভাৰতলৈ সৰবৰাহ কৰা চক্ৰৰ বিৰুদ্ধে এই অভিযান চলোৱা হয়। এই সৰবৰাহকাৰী চক্ৰটোক সহায় কৰা স্থানীয় লোকৰ বাসগৃহ আৰু ব্যৱসায়িক চৌহদত আজি অভিযান চলোৱা হয় বুলি সঞ্চালকালয়ে প্ৰকাশ কৰিছে। প্ৰাৰম্ভিক তদন্তত প্ৰকাশ পোৱা মতে এই লোকসকলে তিউ নদীৰে ম্যানমাৰৰ পৰা অবৈধভাৱে ছুপাৰী সৰবৰাহ কৰি স্থানীয় গুদামত মজুত কৰি ৰাখে আৰু পাছত ভুৱা ই-ৱে বিল আৰু জালি তথ্যৰ জৰিয়তে বৈধভাৱে ক্ৰয় কৰা স্থানীয় সামগ্ৰী বুলি ব্যৱহাৰ কৰে। বিধি বলৱৎকাৰী সঞ্চালকালয়ে লগতে কয়, যে এই অবৈধ চক্ৰৰ জৰিয়তে কোটি কোটি টকাৰ জালিয়াতি কৰা হয়। ইয়াৰ লগত জড়িত লোকসকলে তেওঁলোকৰ স্থানীয় জনজাতীয় পৰিচয়ৰ সুযোগ লৈ সীমা শুল্ক কৰ্তৃপক্ষৰ আগত সৰবৰাহ কৰা সামগ্ৰীসমূহ তেওঁলোকৰ বুলি দাবী কৰাৰ উপৰি জব্দকৃত সামগ্ৰীসমূহ মোকলাই নিয়াৰ বাবে পুৰণি তথ্যপাতি প্ৰদান কৰে বুলি সঞ্চালকালয়ে জানিবলৈ দিয়ে।

ooooooooo

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি মেক্স চিকিৎসালয়ত মালৱিয়া নগৰৰ অতিথিশালাত কালি পুৱা সংঘটিত অগ্নিকাণ্ডত আহত লোকসকলৰ স্বাস্থ্যৰ বুজ লয়। তেওঁ আহত লোকসকল আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে যাৱতীয় সকলো সাহায্য প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। কালি এই অগ্নিকাণ্ডত ১২ গৰাকী বিদেশী নাগৰিককে ধৰি মুঠ ২১ জন লোকৰ মৃত্যু হয়। ইতিমধ্যে ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰি দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰা হৈছে। দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰা মতে এই ঘটনাত গুৰুতৰভাৱে আহত ৪৯ জন লোকক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও ২১ জনৰ প্ৰাণ হানি হয়। দিল্লী চৰকাৰে নিহতসকলৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ আৰু গুৰুতৰভাৱে আহতসকলক পাঁচ লাখ টকাকৈ প্ৰদানৰ কথা ঘোষণা কৰিছে। আহত লোকসকলৰ চিকিৎসা চিকিৎসালয় কৰ্তৃপক্ষৰ সহযোগত বিনামূলীয়াকৈ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জনাইছে। ইপিনে, প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা দুৰ্ঘটনাত নিহতসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰকৈ দিয়া হ'ব বুলি ঘোষণা কৰা হৈছে।

ooooooooo

বিহাৰৰ মুজফ্ফৰপুৰত এখন ব্যক্তিগত চিকিৎসালয়ত যোৱানিশা সংঘটিত অগ্নিকাণ্ডত তিনিজন লোকে প্ৰাণ হেৰুৱায় আৰু আন কেইবাজনো আহত হয়। মুজফ্ফৰপুৰৰ জিলাধিপতি সুব্ৰত কুমাৰ সেনে এই কথা নিশ্চিত কৰিছে আৰু আহতসকলৰ ভিতৰত কেইবাজনৰো অৱস্থা সংকটজনক বুলি জানিবলৈ দিছে। তেওঁলোকক উন্নত চিকিৎসাৰ বাবে অন্য চিকিৎসালয়লৈ স্থানান্তৰিত কৰা হৈছে।

ooooooooo

সমাপ্ত